**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-09-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**

১। জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰৰ এটা এছ্ আই টি গঠনৰ সিদ্ধান্ত। বিভিন্ন দল-সংগঠনৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী।

২। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ আজি জুবিন গাৰ্গৰ কাহিলিপাৰাস্থিত বাসগৃহত শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন।

৩। ব্যৱসায়ী শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে জড়িত যিকোনো সংগঠন বা সংস্থাই ৰাজ্যখনৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা।

৪। জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ বাবে শাৰদীয় পূজালৈ মাথো তিনিদিন থকা অৱস্থাত জনসাধাৰণৰ উৎসাহ স্তিমিত। ***আৰু***

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ আজি খেলত ভাৰত বাংলাদেশৰ মুখামুখি।

oooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম চৰকাৰে এটা বিশেষ অনুসন্ধানকাৰী গোট চমুকৈ এছ্ আই টি গঠন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কিছু সময়ৰ পূৰ্বে সামাজিক মাধ্যম এক্সত এই বিষয়ে প্ৰকাশ কৰি কয়, যে শিল্পীগৰাকীৰ মৃত্যুৰ সৈতে জড়িত কোনো লোককে ৰেহাই দিয়া নহ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বিয়লি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ শীৰ্ষ বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকৰ পাছতে তদন্তৰ বাবে আৰক্ষী সঞ্চালক প্ৰধানক এছ্ আই টি গঠনৰ নিৰ্দেশ দিয়ে। তদন্তৰ ক্ষেত্ৰত এছ্ আই টিয়ে সম্পূৰ্ণ স্বাধীনতা লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই উল্লেখ কৰে। কালি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ সময়ত সংগ্ৰহ কৰা ভিছাৰা নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি তেওঁ লগতে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে সদৌ অসম ছাত্ৰ সন্থাকে ধৰি ভালেসংখ্যক দল-সংগঠন আৰু ব্যক্তিয়ে দাবী জনাইছে।

ইপিনে জুবিন গাৰ্গৰ ছিংগাপুৰত অস্বাভাৱিকভাৱে মৃত্যু হোৱা ঘটনাৰ তদন্ত বিচাৰি এজন অধিবক্তাই দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি গ্ৰহণ কৰিছে। অহা ৮ নৱেম্বৰত এই আবেদনখনৰ শুনানিৰ বাবে তালিকাভুক্ত কৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। অৱশ্যে কোনো ব্যক্তিগত স্বাৰ্থত যদি এই আবেদনখন দাখিল কৰা হৈছে তেনেহ'লে আবেদনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আদালতে সকীয়াই দিছে।

০০০০০০

হিয়াৰ আমঠু শিল্পীগৰাকীৰ আকস্মিক বিয়োগত আজিও ৰাজ্যবাসী শোকত ম্রিয়মান হৈ আছে। শিল্পীগৰাকীৰ শেষকৃত্যথলীত কালি গোটেই নিশা বহুলোক তেওঁৰ গীত আওৰাই উজাগৰে থাকে।

**গান ঃ ....**

ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচাৰ্যই আজি জুবিন গাৰ্গৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পী, গীতিকাৰেই নাছিল বৰং তেওঁ আছিল কেইবাটাও প্ৰজন্মৰ লগতে সংস্কৃতি আৰু ভাষাৰ মাজত সমন্বয় স্থাপন কৰা এগৰাকী জীৱন্ত কিংবদন্তী। জুবিন গাৰ্গ জাতি-জনগোষ্ঠীৰ উৰ্ধত থকা ব্যক্তিত্বৰ অধিকাৰী আছিল বুলি তেওঁ কয়।

মন্ত্ৰী পীযূষ হাজৰিকাই আজি প্ৰয়াত শিল্পীগৰাকীৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে আত্মীয়ক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয়, যে জুবিন গাৰ্গৰ সৃষ্টিৰাজি সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ। সকলোৰে অতিকৈ প্ৰিয় শিল্পীগৰাকীৰ আকস্মিক বিয়োগক গুৰুত্ব সহকাৰে লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তদন্তৰ নিৰ্দেশ দিছে বুলি তেওঁ কয়।

**বাইট ঃ পীযূষ হাজৰিকা**

ৰাজ্যৰ সাংস্কৃতিক জগতৰ কেইবাগৰাকীও জনপ্ৰিয় ব্যক্তিয়ে আজি প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্ত, অভিনেতা যতীন বৰাকে ধৰি শিল্পীসমাজে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত উচিত তদন্তৰ দাবী জনায়।

**বাইট ঃ পাপন, যতীন বৰা**

ইপিনে শুক্ৰেশ্বৰ মন্দিৰত প্ৰয়াত শিল্পীগৰাকীৰ পিণ্ড দান কাৰ্য আজি সম্পন্ন হয়। ঋতু প্ৰয়াগ গাৰ্গ আৰু অৰুণ গাৰ্গে ব্ৰহ্মপুত্ৰৰ পাৰত পিণ্ড দান কৰে।

ৰাজ্যৰ আন আন ঠাইতো শিল্পীগৰাকীৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। জুবিন গাৰ্গৰ স্মৃতিত নগাঁও চহৰৰ নেহৰুবালিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজিত হয়। জিলাখনৰ ৫০০ৰো অধিক শিক্ষানুষ্ঠান, দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে মৰমৰ শিল্পীগৰাকীৰ চিতাভস্মত শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ লগতে সকলোৰে **মায়াবিনী ৰাতিৰ বুকুত** শীৰ্ষক গানটো গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

আজাৰাৰ কাহিকুছি প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰিয় শিল্পীগৰাকীৰ দুটিকৈ গীত পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত মহানায়কৰ **প্ৰতিধ্বনি** শীৰ্ষক এটি অনুষ্ঠানৰ জৰিয়তে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আধাৰত প্ৰস্তুত কৰা এখন তথ্য চিত্ৰ এই অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে জুবিনৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সকলো ছাত্ৰ-ছাত্ৰীক আগবাঢ়ি যাবলৈ আহ্বান জনায়। অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানটোত জুবিন গাৰ্গৰ কেইবাটাও কালজয়ী গীত গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শেষত ছাত্ৰ একতা সভাৰ উদ্যোগত শিল্পীগৰাকীৰ স্মৃতিত গছপুলি ৰোপণ কৰা হয়।

শিল্পীগৰাকীক শ্ৰদ্ধা জনাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ে চলিত বৰ্ষৰ পৰাই জুবিন গাৰ্গ সোঁৱৰণী শ্ৰেষ্ঠ গায়ক বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয়খনৰ অন্তৰ্গত ৯ খন জিলাৰ ১৭১ খন মহাবিদ্যালয়ক সামৰি প্ৰতিবছৰে আয়োজিত কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত সংগীতৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত হোৱা প্ৰতিযোগীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ লগতে যুৱ প্ৰজন্মক উৎসাহিত কৰিবলৈ এই বঁটা প্ৰদান কৰা হ'ব বুলি বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে প্ৰকাশ কৰে। এই বঁটাত নগদ ধন, চলন্ত ট্ৰফী আৰু বিশ্ববিদ্যালয়ৰ ছীল-মোহৰ সম্বলিত প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। শিল্পীগৰাকীৰ গীতৰ চৰ্চা অব্যাহত ৰখাৰ উদ্দেশ্যেৰে চলিত বৰ্ষৰ পৰা এই যুৱ মহোৎসৱত জুবিন সংগীতৰ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হ'ব বুলি বিশ্ববিদ্যালয়খনৰ কাৰ্যনিৰ্বাহক সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ হোজাইৰ জিলা আমছুৱে জুবিন গাৰ্গৰ এটি প্ৰতিমূৰ্তি আৰু সংগ্ৰহালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। হোজাই, ডবকা বা নীলবাগানত সংগ্ৰহালয় স্থাপন কৰিবলৈ সংগঠনটোৱে আগ্ৰহ প্ৰকাশ কৰিছে। আমছুৱে ইয়াৰ বাবে হোজাইৰ জিলা আয়ুক্ত বিকাশ ভাগৱতীলৈ ভূমি বিচাৰি আবেদন জনাইছে। আমছুৱে ভূমি আৱণ্টন হোৱাৰ লগে লগে প্ৰতিমূৰ্তি নিৰ্মাণৰ কাম নিজাববীয়াকৈ আৰম্ভ কৰিব বুলি সংগঠনটোৰ জিলা সভাপতি কবিৰ আহমেদ লস্কৰে বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

oooooo

অসম চৰকাৰে ব্যৱসায়ী আৰু নিজকে সাংস্কৃতিক কৰ্মী বুলি দাবী কৰা শ্যামকানু মহন্ত আৰু তেওঁৰ সৈতে জড়িত যিকোনো সংগঠন বা সংস্থাই ৰাজ্যখনৰ ভিতৰত কোনোধৰণৰ অনুষ্ঠান বা উৎসৱ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে সেই ব্যক্তিজনৰ সৈতে জড়িত কোনো অনুষ্ঠানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনোধৰণৰ আৰ্থিক অনুদান, বিজ্ঞাপন, বা পৃষ্ঠপোষকতা প্ৰদান নকৰে। লগতে ৰাজ্য চৰকাৰে তেওঁক কোনোধৰণৰ বিত্তীয় সাহায্য বা পৃষ্ঠপোষকতা প্ৰদান নকৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ক্ষন্তেক সময়ৰ আগতে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসমৰ ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গক ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ আমন্ত্ৰণ কৰি লৈ যোৱা আৰু ছিংগাপুৰৰ সাগৰত পানীত বুৰি জুবিন গাৰ্গৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত পৰৱৰ্তী কালত কেতবোৰ স্ব-বিৰোধী মন্তব্য কৰাৰ পৰিপ্ৰেক্ষিতত শ্যামকানু মহন্তৰ বিৰুদ্ধে সমগ্ৰ অসমতে তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল।

oooooo

প্ৰিয় শিল্পী জুবিন গাৰ্গৰ সকলো সামগ্ৰী সংৰক্ষণ কৰা হব বুলি পত্নী গৰিমা গাৰ্গে আজি সদৰি কৰিছে। তেওঁ কয় যে ছিংগাপুৰৰ পৰা আহি শিল্পীগৰাকীয়ে ৰৈ ৰৈ বিনালে চলচ্চিত্ৰখনৰ ডাবিঙৰ কাম কৰাৰ কথা আছিল যদিও সেয়া হৈ নুঠিল। জুবিন গাৰ্গৰ ইচ্ছা অনুসৰি ৩১ অক্টোবৰত চলচ্চিত্ৰখন মুক্তি দিয়াটো তেওঁ বিচাৰে বুলি মন্তব্য কৰে। তেওঁ লগতে শিল্পীগৰাকীৰ প্ৰতি ৰাইজৰ অপাৰ মৰম স্নেহৰ বাবে আন্তৰিকতা জ্ঞাপন কৰে। এই ঘটনাৰ তদন্ত সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে চৰকাৰ আৰু আইনৰ ওপৰত তেওঁৰ আস্থা আছে।

oooooo

ছিংগাপুৰত অসমবাসীৰ প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত নাম সাঙোৰ খোৱা ৰাজ্যৰ এটা ব্যক্তিগত টেলিভিছন চেনেলৰ মুখ্য পৰিচালন সঞ্চালক সঞ্জীৱ নাৰায়ণে আজি এখন সংবাদমেলত নিজৰ স্থিতি স্পষ্ট কৰে। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ যিকোনো তদন্তৰ বাবে তেওঁ সাজু বুলি উল্লেখ কৰি নাৰায়ণে কয় যে

এই ঘটনা সংক্ৰান্ত তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সত্য নহয়। তেওঁ সেই ঘটনাৰ সময়ত ছিংগাপুৰত আছিল যদিও শিল্পীগৰাকীৰ এই যাত্ৰাৰ পৰিকল্পনাৰ সৈতে জড়িত নাছিল আৰু সেই স্থানত উপস্থিত নাছিল বুলি উল্লেখ কৰে। ঘটনাৰ সম্ভেদ পোৱাৰ লগে লগে তেওঁ তালৈ গৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপৰি কেইবাগৰাকী মন্ত্ৰীক অৱগত কৰে বুলি জানিবলৈ দিয়ে। তেওঁ লগতে কাৰোবাৰ গাফিলতিত যদি শিল্পীগৰাকীৰ প্ৰাণহানি হৈছে তেনে লোকে শাস্তি পোৱা উচিত বুলি মন্তব্য কৰে।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো ৩ টা দিন বাকী। অসমবাসীৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক দেহাৱসানে এইবাৰ পূজাৰ পৰিবেশ ম্লান কৰিছে যদিও আধ্যাত্মিক ৰীতি নীতি বজাই ৰাখি পূজা পালন কৰা হ'ব। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেসংখ্যক পূজা সমিতিয়ে এইবাৰ আড়ম্বৰবিহীনভাৱে পূজা পালনৰ প্ৰস্তুতি চলাইছে। পূজাস্থলীসমূহত জনতাৰ আপোন শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব।

ইপিনে, শাৰদীয় নৱৰাত্ৰিৰ আজি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা অৰ্চনা কৰা হয়। অহা দেওবাৰে ষষ্ঠীৰ বেদীত দেবী প্ৰতিষ্ঠা কৰা হ'ব। এইবাৰ দেৱীৰ হস্তীত আগমন হৈছে আৰু ডোলাত গমন হ'ব। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি নীতিৰে এই পূজা সম্পন্ন হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়। এই উপলক্ষে মন্দিৰ প্ৰাঙ্গন পোহৰ আৰু ফুলেৰে সজাই পৰাই তোলাৰ লগতে এই সময়ছোৱাত অগণন ভক্তৰ সমাগম হৈছে। গোৱালপাৰাৰ ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ত মৃন্ময় মূৰ্তিবিহীন পূজাভাগৰ আয়োজন কৰা হৈছে। তাহানীৰ বিজনীৰ ৰজা কুমুদ নাৰায়ণৰ দিনৰ পৰাই এই ঐতিহাসিক দেৱালয়ত দেৱী দুৰ্গাৰ আৰাধনা কৰি অহা হৈছে। আধুনিক জাক জমকতা পৰিহাৰ কৰা ৰজাদিনীয়া পৰম্পৰাৰে ১৭ শ শতিকাৰ পৰাই আয়োজন কৰা এই পূজা উপলক্ষে প্ৰতিবছৰে অগণন ভক্তৰ সমগম হয়। নগাওঁ জিলাতো শাৰদীয় দুৰ্গা পূজাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই পৰাই তোলাৰ বাবে প্ৰতিখন পূজা সমিতিয়ে প্ৰয়াস কৰিছে। নলবাৰী জিলাতো আজি নৱৰাত্ৰিৰ তৃতীয় দিনা দেৱী দুৰ্গাক চন্দ্ৰঘণ্টা ৰূপত পূজা কৰা হয়। ষষ্ঠীৰ দিনাৰ পৰা মূল শাৰদীয় দুৰ্গোৎসৱ অনুষ্ঠিত হ'ব।

ৰাজ্য চৰকাৰে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দূৰ্গা পুজা সমিতিলৈ উৎসৱ উদ্‌যাপনৰ সহায় হোৱাকৈ ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াব। ইতিমধ্যে এই অনুদান বিতৰণৰ বাবে জিলা আয়ুক্তসকলক ধনৰাশি প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। আজি মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত ৰাজ্যৰ মুখ্য সচিব ডাঃ ৰবী কোটাৰ অধ্যক্ষতাত জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ধনৰাশি বিতৰণ সন্দৰ্ভত পৰামৰ্শ দিয়া হয়।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পুনৰ মুকলি কৰা হৈছে। এই উপলক্ষে আজি উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ প্ৰথম প্ৰৱেশদ্বাৰৰ পৰা মুখ্য প্ৰৱেশদ্বাৰলৈ এটা হস্তী সমদল উলিওৱা হয়। ইয়াৰ পাছতেই বি টি চিৰ বন বিভাগৰ সচিব সুমন মহাপাত্ৰই ৰাষ্ট্ৰীয় উদ্যানখন ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে

আনুষ্ঠানিকভাৱে মুকলি কৰে। আজিৰ কাৰ্যসূচীৰ আৰম্ভণিতে জনতাৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত এক মিনিট মৌনতা অৱলম্বন কৰা হয়।

ooooo

অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস তথা সংস্কৃতি  বিভাগ আৰু সংগ্ৰহালয় সঞ্চালকালয়ৰ উদ্যোগত আজিৰে পৰা  অসম ৰাজ্যিক সংগ্ৰহালয়ত ৩ দিনীয়াকৈ এখন সন্মিলন অনুষ্ঠিত হৈছে। ভাৰতীয় সাংস্কৃতিক সম্পদ সংৰক্ষণৰ অধ্যয়ন সংস্থা অৰ্থাৎ আই এ এছ চিৰ সহযোগত বস্ত্ৰ শিল্পৰ ওপৰত গুৰুত্ব আৰোপ কৰি সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ শীৰ্ষক এই সন্মিলন অনুষ্ঠিত হৈছে। মন্ত্ৰী যোগেন মহনে আজি সন্মিলনখন উদ্বোধন কৰে। এই কাৰ্যসূচীত বিভাগীয় শীৰ্ষ বিষয়া আই এ এছ চিৰ সভাপতি ৰমেশ চন্দ্ৰ জৈন আৰু অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালক অৰিন্দম বৰুৱা উপস্থিত থাকে।

ooooo

অসম আৰক্ষীয়ে নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। কাছাৰ আৰক্ষীয়ে আজি এটা বিশেষ অভিযান চলাই বুজন পৰিমাণৰ নিচাজাতীয় সামগ্ৰী জব্দ কৰে। ধলাই থানাৰ অন্তৰ্গত ধলাখাল সীমান্ত আউটপোষ্টৰ সন্মুখত আৰক্ষীয়ে এখন বাহনত অভিযান চলাই দুই সৰবৰাহকাৰীক আটক কৰাৰ লগতে প্ৰায় ৯০ কোটি টকাৰ বজাৰ মূল্যৰ য়াবা টেবলেট জব্দ কৰে।

oooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আয়োজন কৰা অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ বাবে বাতৰি ক্লিপ গ্ৰহণৰ সময়সীমা আজি সন্ধিয়া ৬ বজাত অন্ত পৰিছে। এই সময়ছোৱাত ৰাজ্যখনৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ভিতৰৰ ভালেসংখ্যক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' প্ৰতিযোগিতালৈ প্ৰেৰণ কৰে। এইসমূহ পৰীক্ষা কৰি শীঘ্ৰে ফলাফল ঘোষণা কৰা হ'ব। প্ৰথম ৩ গৰাকী প্ৰতিযোগীক পুৰস্কাৰ, স্মাৰক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ বাতৰি ক্লিপ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

oooo

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি  ডুবাই ক্ৰিকেট ষ্টেডিয়ামত ভাৰত-বাংলাদেশৰ মুখামুখী হ'ব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত হ'বলগীয়া আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰাটো নিশ্চিত হ'ব। উল্লেখযোগ্য যে ছুপাৰ ফ'ৰ পৰ্যায়ত ভাৰতে প্ৰথমখন খেলত পাকিস্তানক আৰু বাংলাদেশে ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাজিত কৰিছে।

টি টুৱেণ্টি প্ৰতিযোগিতাত বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ সফলতা প্ৰায় ৯০ শতাংশ যদিও এইবাৰৰ প্ৰতিযোগিতাত বাংলাদেশে শক্তিশালী শ্ৰীলংকাক ছুপাৰ ফ'ৰ পৰ্যায়ত পৰাজিত কৰাৰ সূত্ৰে দলটোৰ মনোবল ভালেখিনি বৃদ্ধি পাইছে।

oooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ